RNI Regn. No-.AssAss/2011/38477

# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৯৯ বুধবাৰ ২০ জেঠ ১৯৪৭ শক ৪ জুন ২০২৫ চন ASOMIYA KHABAR JORHAT WEDNESDAY 4

## 'মানুহৰ জীৱন-দৰ্শনেই হৈছে সাহিত্য' ঃ কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভাৰ বক্তৃতানুষ্ঠান

ষ্টাফ্ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ জুন ঃ যেতিয়ালৈকে মানুহৰ সুখ-দুখ, আনন্দ-বিষাদ, অনুভৱ-উপলব্ধি, ভ্ৰাতৃত্ব-সংহতি, হাস্য-ব্যংগ, সৎ-অসৎ, যন্ত্ৰণা-সৌন্দৰ্য মানুহৰ হৃদয়ত আলোড়িত হৈ থাকিব তেতিয়ালৈকে সাহিত্যও থাকিব। প্ৰকৃততে সাহিত্য হ'ল মানুহৰ জীৱনৰ এখন আইনা। 'সাহিত্যত জীৱন-দৰ্শন' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়খনৰ সাহিত্য সভাৰ সভানেত্ৰী ড° তৃষ্ণা দুৱৰা কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানৰ আঁতধৰে অধ্যাপিকা তথা শাখা সভাখনৰ সম্পাদিকা ড° নিতুমণি শইকীয়াই। সাহিত্যত জীৱন-দৰ্শনৰ বক্তাৰূপে অধ্যক্ষগৰাকীয়ে শাখা সাহিত্য সভাৰ এনে ইতিবাচক কৰ্মক ধন্যবাদ জ্ঞাপন কৰি কয়— কানৈ মহাবিদ্যালয়ৰ সাহিত্য কৰ্মৰ ইতিহাস কোনেও পাহৰিব নোৱাৰে। মহাবিদ্যালয়খনত অনেক গুণী-জ্ঞানী সাহিত্যিকে সাহিত্য সৃষ্টিৰে সমাজলৈ বৰঙণি আগবঢ়াই যোৱা বুলি উল্লেখ কৰি তেওঁ কয়, সাহিত্য কেৱল কাব্য, নাটক, উপন্যাস অথবা গল্পৰ সমষ্টি নহয়, প্ৰকৃততে ই হৈছে মানুহৰ অন্তৰাত্মাৰ এখন আইনা। য'ত, মানুহৰ অনুভৱ, উপলব্ধিৰ লগতে সময়, সংস্কৃতি, সমাজ প্ৰতিফলিত হয়। জীৱন-দৰ্শনৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, মানুহৰ জীৱনৰ অভিজ্ঞতা সুখ-দুখ, জীৱন-মৃত্যু, আশা-হতাশা, নিৰাশা, প্ৰেম-ঘৃণা এই সকলোৱেই জীৱন-দৰ্শনত প্ৰভাৱিত কৰে। কেতিয়াবা এনে দৰ্শন অতি গভীৰ হৈ পৰে আৰু কেতিয়াবা ই অতি শান্ত হৈ পৰে। জীৱনৰ অভিজ্ঞতাই মানুহৰ জীৱন-দৰ্শন বুলি উল্লেখ কৰি তেওঁ কয়, মানুহৰ প্ৰতিটো অনুভৱেই একো-একোটা দৰ্শন চিন্তা ৰূপত প্ৰকাশ পায়। যুদ্ধ, দৰিদ্ৰ, বেদনা সেইবোৰকো সাহিত্যই গভীৰভাৱে কাব্যিক ৰূপত মানৱীয় ধ্যান-ধাৰণাৰ শাৰীলৈ নি সামৰি লয় বুলি উল্লেখ কৰি তেওঁ কয়, সাহিত্যই মানুহক নিজৰ ভিতৰৰ মানুহজনক, সত্যক জনা আৰু বুজাত সহায় কৰে। সেয়ে সাহিত্যক মানুহৰ আত্মাৰ সংগীত মানৱতাৰ মহৎ গীত-বেদনা আৰু প্ৰেমৰ সমষ্টি বুলি কোৱা হয়। সাহিত্যৰ বিশাল বুকুতেই জীৱন-দৰ্শন সোমাই থাকে বুলিও তেওঁ বক্তৃতা প্ৰসংগত উল্লেখ কৰে। দৰ্শন বিভাগৰ অধ্যাপিকা ৰমাকান্তি দাস, অসমীয়া বিভাগৰ অধ্যাপক অনন্ত টেৱণ, বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° চন্দনা গোস্বামী, নৃতত্ব বিভাগৰ অধ্যাপিকা ড° মৰমী তালুকদাৰ, বাংলা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰীতা পোদ্দাৰ, প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড° চুলতানা হাজৰিকাই অধ্যক্ষগৰাকীৰ বক্তৃতাৰ বিশ্লেষণ কৰে আৰু জীৱনক ভিন্ন ৰঙৰ দৰ্শনলৈ ৰূপান্তৰিত কৰিবলৈ আহবান জনায়।